**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 28-07**-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

বিৰোধী পক্ষৰ সদস্য সকলে বিভিন্ন বিষয়লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ১২ বজালৈ স্থগিত ৰখা হয়। দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল আৰম্ভ কৰাৰ লগে লগে বিৰোধী সাংসদসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন উঠাই লোৱাৰ দাবীৰে শ্লোগান দিবলৈ আৰম্ভ কৰে। শ্ৰী বিৰলাই প্ৰতিবাদৰত সদস্যসকলক প্ৰশ্নকাল চলাই নিয়াত সহযোগ কৰিবলৈ আৰু বিৰোধীপক্ষৰ সদস্যসকলক প্ৰশ্নকালত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। হুলস্থূলীয়া পৰিৱেশৰ মাজতে কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী গজেন্দ্ৰ সিং ছেখাৱতে স্বচ্ছতা গ্ৰীণ লিফ ৰেটিং পদক্ষেপ সন্দৰ্ভত প্ৰশ্নৰ উত্তৰ দিয়ে। বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাৰ বাবে অধ্যক্ষই দিনৰ ১২ বজালৈ সদন স্থগিত ঘোষণা কৰে।

০০০০০০০

দেশভক্ত তৰুণৰাম ফুকনৰ পূণ্য তিথি উপলক্ষে আজি ৰাজ্য চৰকাৰৰ উদ্যোগ **দেশভক্তি দিৱস** পালন কৰা হৈছে। এই উপলক্ষে অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ ভৰলুমুখৰ তৰুণৰাম ফুকন উদ্যানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে তৰুণৰাম ফুকনৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দেশভক্তি দিৱস উপলক্ষে অসমৰ জাতীয় জীৱনলৈ অসামান্য অৱদান আগবঢ়োৱা মহান মনীষীলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে জাতিটোৰ প্ৰতি থকা মৰম আৰু দায়িত্ববোধ কৰ্মৰ মাজেৰে প্ৰতিফলিত হোৱা নেতাগৰাকীৰ আদৰ্শ আৰু কৰ্মৰাজী প্ৰতিটো প্ৰজন্মৰ মাজত চৰ্চা হোৱা উচিত। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশৰ স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী নেতা, সুদক্ষ বক্তা আৰু সু-লেখক তৰুণৰাম ফুকনৰ নিভাজ দেশপ্ৰেম, কৰ্মচেতনা আৰু জনহিতকৰ কামে অসমীয়া জাতিক সদায় অনুপ্ৰাণিত কৰি থাকিব বুলি মত প্ৰকাশ কৰে।

দেশভক্ত তৰুণৰাম ফুকনৰ সোঁৱৰণত কালি অনুষ্ঠিত দেশভক্তি কুইজ প্ৰতিযোগিতাত ৰাজ্যৰ লগতে কেৰালা, দিল্লী আদিকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় এহেজাৰ ২০০ গৰাকী প্ৰতিযোগীৰে গঠিত মুঠ ৩৪৮ টা দলে অংশগ্ৰহণ কৰে। প্ৰাথমিক পৰ্যায়ত অনুষ্ঠিত লিখিত পৰীক্ষাৰ পৰা ছটা দলক চূড়ান্ত পৰ্যায়লৈ বাচনি কৰা হয়। আজি হ'বলগীয়া দেশভক্তি দিৱসৰ মূল সভাত বিজয়ীসকলক নগদ ধন আৰু প্ৰমাণ পত্ৰৰে পুৰস্কৃত কৰা হ'ব।

০০০০০০০

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত কাইলৈ পুনৰ পৰা উচ্ছেদ অভিযান চলোৱা হ'ব। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে প্ৰশাসনে ইতিমধ্যে অঞ্চলটোত উচ্ছেদৰ বাবে শ-শ এক্সকেভেটৰ সাজু কৰিছে। উল্লেখযোগ্য যে বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰীবিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক আজিৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকিয়াই দিছে। ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাদিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব। মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে।

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

আজি বিশ্ব প্ৰকৃতি সংৰক্ষণ দিৱস। প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদসমূহৰ সংৰক্ষণ তথা বহনক্ষম ব্যৱহাৰৰ অভ্যাস গঢ়ি তোলাৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে ২৮ জুলাইৰ দিনটো এই দিৱস হিচাপে বিশ্বজুৰি পালন কৰা হয়। দিৱসৰ কাৰ্যসূচীৰ জৰিয়তে বায়ু, মাটি, পানী আৰু বনাঞ্চল সংৰক্ষণ কৰি জীৱকুলৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ বাবে প্ৰয়াস কৰা হয়। এইবাৰ এই দিৱসৰ বিষয় হৈছে মানুহ আৰু গছ-গছনিৰ পাৰস্পৰিক সংযোগ, বনাঞ্চল সংৰক্ষণৰ বাবে ডিজিটেল উদ্ভাৱনৰ ব্যৱহাৰ। ইয়াৰ দ্বাৰা প্ৰযুক্তি ব্যৱহাৰৰ জৰিয়তে পৰিৱেশ সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। মন্ত্ৰী বিমল বৰাই আজি দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত প্ৰকৃতিৰ প্ৰতিটো সম্পদ সংৰক্ষণৰ বাবে ঐক্যবদ্ধ হৈ সংকল্প গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। পৰৱৰ্তী প্ৰজন্মক এখন সেউজ, বহনক্ষম পৃথিৱী আৰু সুন্দৰ ভৱিষ্যৎ উপহাৰ দিয়াটো সকলোৰে কৰ্তব্য বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

কামৰূপ জিলাৰ লংতুৰি পাহাৰ অঞ্চলত ভূমিস্খলনৰ ফলত বন্ধ হৈ পৰা বকো-লাংপি সংযোগী পথটো এতিয়াও মুকলি হোৱা নাই। অঞ্চলটোত বিগত কিছুদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পাহাৰৰ মাটি আৰু বৃহৎ আকাৰৰ শিল বাগৰি পৰাত শনিবাৰৰপৰা পথটোৰে যাতায়াত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। পথটো বন্ধ হোৱাৰ ফলত কাষৰীয়া জনজাতীয় অঞ্চলৰ ৰাইজ অসুবিধাৰ সন্মুখীন হৈছে।

০০০০০০০

**সমাপ্ত**